# সাতসৰী

যোড়শ বছৰ, দ্বিতীয় সংখ্যা • ছেপ্টেম্বৰ, ২০২০

SATSARI

Vol. No.: 16, Issue No. 02 • September, 2020 • Pages : 128

Reg. No. : ASSASS/2011/35776

ISSN: 2319-8893 • Rs.30.00


## প্ৰবন্ধ নিবন্ধ


**অপূৰ্ব শৰ্মা** • সৌৰভ কুমাৰ চলিহা স্মৰণ আৰু কিঞ্চিৎ ব্যক্তিগত • ২৪

**জুৰি দত্ত, দেৱৰ্ষি নাথ** • সংকটকালীন সাহিত্য আৰু অধ্যয়নৰ প্ৰাসংগিকতা • ২৭

**ড° দীপকজ্যোতি বৰুৱা** • মহামাৰী আৰু বিশ্বসাহিত্য • ৩৮

**ধ্ৰুৱ শইকীয়া** • লেবাননত চাৰ্নবিল দুৰ্যোগৰ পুনৰাবৃত্তি • ৪২

**ড° গৰিমা কলিতা** • অস্তিত্ববাদ আৰু সমকালীনতাৰ প্ৰতীকী অনুধাৱন • ৪৪

**অৰিন্দম বৰকটকী** • জাকৰ মাজত থাকিও কিছুমান তৰা অকলশৰীয়া • ৪৮

**ড° ভুবন গগৈ** • সাম্প্ৰতিক অসমীয়া সংগীতৰ ধাৰা • ৫২

**জয়ন্ত মাধৱ তামুলী** • উত্তৰ-পূৰ্বাঞ্চলীয় সাহিত্য ঃ স্থিতি আৰু সম্ভাৱনা • ৫৭

**ড° মালিনী** • প্ৰাচীন ভাৰতীয় সাহিত্যত আধুনিক বিশ্বৰ ইংগিত • ৬০


## কবিতা


**কৰবী ডেকা হাজৰিকা, উদয় কুমাৰ শৰ্মা** • ৬৩

**জীৱন নৰহ** • ৬৪

**ধ্ৰুৱকুমাৰ তালুকদাৰ** • ৬৫

**ড° পূৰ্ণ ভট্টাচাৰ্য** • ৬৬

**গাৰ্গী ভূঞা, দীপিকা দেৱী কলিতা** • ৬৭


## গল্প


**ৰত্নোত্তমা দাস বিক্ৰম** • খুনখ'ৱা • ৬৮

**ড° মানিক শইকীয়া** • পুনৰ্জন্ম • ৭৫


## অনুবাদ গল্প


মূল ঃ **কল্পনা ৰায়**, অনুবাদ ঃ **মীৰা গোস্বামী** • লক্ষ্মীনাথ • ৮১






## *ধাৰাবাহিক উপন্যাস*


**ড° ধ্ৰুৱজ্যোতি বৰা** • কৃষক-বিদ্ৰোহী-সৈনিক-ৰাজন • ৮৭

**য়েছে দৰজে ঠংচি** • ঢোলৰ ছেৱত লামছিৱা • ৯১

**গী দ মোপাছাঁৰ** বেল-আমি, অনুবাদ ঃ **মীনাক্ষি বুঢ়াগোহাঁই** • ৯৫




# সংকটকালীন সাহিত্য আৰু অধ্যয়নৰ প্ৰাসংগিকতা

জুৰি দত্ত
দেৱৰ্ষি নাথ

সাহিত্যৰ সংজ্ঞা নিৰূপণ আৰু প্ৰাসংগিকতাৰ প্ৰশ্ন অতীত কালৰ সমালোচক-দাৰ্শনিকসকলৰ মনত এক আলোচনাযোগ্য গুৰুত্বপূৰ্ণ বিষয় আছিল। প্ৰাচীন কালৰ গ্ৰীক দাৰ্শনিক প্লেটো আৰু এৰিষ্টটলৰ দিনৰে পৰা সাহিত্য সৃষ্টি, সাহিত্য পঠন, চৰ্চা আৰু সাহিত্য আলোচনাৰ প্ৰাসংগিকতাৰ বিষয়ে পৃথিৱীৰ বহু বিখ্যাত চিন্তাবিদ-লেখকে অনেক কথা কৈ আহিছে। কিন্তু আধুনিক জীৱনত সাহিত্য সৃষ্টি, সাহিত্য চৰ্চা আৰু সাহিত্য অধ্যয়নৰ ভূমিকা সম্পৰ্কে সৰ্বসাধাৰণ গৱেষক-চিন্তাবিদ আৰু দাৰ্শনিকসকলৰ ধাৰণা কি— এই বিষয়ে সম্প্ৰতি বৰ বিশেষ আলোচনা হোৱা চকুত পৰা নাই। সৰ্বসাধাৰণৰ বিশ্বাস যে জীৱনৰ নিশ্চয়তা আৰু আশাবাদৰ সন্ধান দিয়াত বিজ্ঞান আৰু বিজ্ঞানৰ নিত্য-নতুন আৱিষ্কাৰসমূহৰ এক গুৰুত্বপূৰ্ণ অৱদান আছে। প্ৰচলিত বাগ্‌ধাৰাত বাহ্যিক আৰু বস্তুগত লাভালাভৰ দিশৰ পৰা বিশ্লেষণ কৰিলে কেৱল বৈজ্ঞানিক আৱিষ্কাৰসমূহে নতুন পৃথিৱীৰ কাৰণে গুৰুত্বপূৰ্ণ।

ওঠৰশ শতিকাৰ ঔদ্যোগিক পুঁজিবাদৰ উত্তৰণৰ লগে লগে এনেধৰণৰ বস্তুবাদী চিন্তাচৰ্চাৰ প্ৰকাশ সঘনে দেখিবলৈ আৰু শুনিবলৈ পোৱা গৈছিল। এনেধৰণৰ মানসিকতাৰ জন্ম ঔদ্যোগিক পুঁজিবাদৰ ফল, যি প্ৰতিটো কথাই বস্তুবাদী লাভালাভ আৰু উপযোগিতামূলক দিশৰ পৰাই জুখিব বিচাৰে। সেয়ে বাস্তৱবাদীসকলে যুক্তি দিয়ে— ‘এজন উৎপাদনশীল ব্যক্তি হ’বলৈ, গোলকীয় অৰ্থনীতিত প্ৰতিযোগিতা কৰিবলৈ কাকো সাহিত্য নালাগে। আচলতে সাহিত্যৰ ন্যূনতম জ্ঞান নোহোৱাকৈ অৰ্থনৈতিক বজাৰত কোনো ব্যক্তি বৰ সফল হ’ব পাৰে— তেনেকুৱা বাস্তৱ উদাহৰণ অলেখ। ভৱিষ্যতৰ কাৰণে গুৰুত্বপূৰ্ণ পঠনযোগ্য বিষয় হৈছে তথ্য আৰু মূল পঠনশৈলী হৈছে তথ্য সংগ্ৰহ আৰু তথ্য আদান-প্ৰদান প্ৰক্ৰিয়া। সাহিত্য হৈছে অপেৰাধৰ্মী কলা (opera-an ancane), জীৱনৰ মচলা আৰু একধৰণৰ বাখৰুৱা প্ৰলেপ। কিন্তু ই জীৱনৰ মূল বা প্ৰধান অংশ নহয়। সেয়ে সাহিত্য যিহেতু অপৰিহাৰ্য নহয়েই, ই পাঠ্যক্ৰমৰ এটা প্ৰধান অংগ বা অংশ হোৱাৰ কোনো যুক্তি